বিজ্ঞান ধাৰাৱাহিক - বহনক্ষম বিকাশ .....

খণ্ড ২২ বৰষুনৰ পানী সংৰক্ষণ ডঃ স্বপ্না দেৱী

চৰিত্ৰ

১. গোবিন্দ – স্কুলৰ মাষ্টৰ
২. সেৱালী – স্কুলীয়া ছাত্ৰী
৩. অনন্ত – স্কুলৰ ছাত্ৰ
৪. সোনপাহি – শেৱালীৰ মাক
৫. সোনাশ্বৰ – শেৱালীৰ দেউতাক
৬. মনোজ - শেৱালীৰ ভায়েক
৭. মিস্ত্ৰি

(স্কুল ঘৰ, ল’ৰা ছোৱালীৰ হাই উৰুমি, স্কুলৰ ক্লাছ আৰম্ভ হোৱাৰ ঘন্টা। ল’ৰা ছোৱালীৰ চিঞৰ বাখৰৰ শব্দ। ক্লাছত গোৱিন্দ মাষ্টৰৰ প্ৰৱেশ।)

ল’ৰা ৱহোৱালী – ছাৰ, নমস্কাৰ, নমস্কাৰ।

গোৱিন্দ – চিঞৰ বাখৰ নকৰিবি। বহ বহ। কালি আমি কি পঢ়িছিলো মনত আছেনে তহঁতৰ?

ল’ৰা ছোৱালী – ছাৰ পানীৰ বিষয়ে।

গোৱিন্দ – আজিকালি দেখা গৈছে যে পানীৰ বাৰুকৈয়ে অনাটন হৈছে। বিশেষকৈ খোৱা পানীৰ অনাটন হ’লে আমি কেনেকৈ জীৱন ধাৰণ কৰিম। পানী দুই ধৰণে পোৱা যায়। এভাগ হ’ল ভূপৃষ্ঠৰ ওপৰৰ পানী আৰু আনভাগ হ’ল ভূপৃষ্ঠৰ তলত পোৱা পানী। ইংৰাজীত ইয়াক Surface Water আৰু Ground Water বোলে। Surface Water নৈ, বিল, পুখুৰী আদিত পোৱা যায় আৰু Ground Water হ’ল পৃথিৱীৰ ভূপৃষ্ঠৰ তলৰ পানী ভাগ। ইয়াক কুৱা, দমকল, নলীইনাদৰ দ্বাৰা উলিয়াব পাৰি। নৈ, খাল, পুখুৰী আদিৰ পানীও দুষিত হৈ আহিছে। তেতিয়াহ’লে উপায় কি? কুৱা, দমকল, অগভীৰ, গভীৰ নলীনাদ ইত্যাদিতো লাহে লাহে পানী শুকাই আহিছে। এতিয়া উপায় এটাই সেয়া হ’ল বৰষুনৰ পানী ধৰি ৰাখি ব্যৱহাৰ কৰা। বৰষুনৰ পানীভাগ ধ্ৰি ৰাখিব পাৰিলে আমি বহুতো সমস্যাৰ পৰা হাত সাৰিব পাৰিম। আমাৰ জিলা, কামৰূপৰ কথাই ধৰা হওক। তোমালোকে জানানে কামৰূপত বছৰি গড় অনুপাতে কিমান বৰষুন হয়? শেৱালী কোৱাচোন।

শেৱালী – ছাৰ, ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে কামৰূপত গঢ়ে ১৭৫০ মিলিমিটাৰ বৰষুন হয়। এই বৰষুনৰ পৰিমান যথেষ্ট বেছি।

গোৱিন্দ – ঠিক কৈছা। এই বৰষুন ভাগ কাতিয়াৰ পৰা আৰম্ভ হয়, জানানে? অনন্ত কোৱাচোন।

অনন্ত – ছাৰ, মৌচুমি বতাহ ববলৈ আৰম্ভ কৰাৰ লগে লগে মানে বহাগ – জেঠ মানতে এই বৰষুন ভাগ আৰম্ভ হয় আৰু ভাদ – আহিনলৈকে থাকে। মানে বছৰৰ ৬ টা মাহ কম বেছি পৰিমানে এই বৰষুন থাকে।

গোৱিন্দ – তহঁতি জাননে নাজান ? এই বৰষুনৰ ৭০ ভাগেই মাটিৰ ওপৰেদি বৈ গৈ সাগৰ, মহাসাগৰত পৰেগৈ আৰু ৩০ ভাগ লাহে লাহে নিগৰি গৈ ভূজলৰ লগত মিলি যায় আৰু ইয়াৰ ফলত ভূজলৰ পৃষ্ঠ ওপৰলৈ আহে। এই বৈ যোৱা পানীভাগ আমি যদি ধৰি ৰাখিব পাৰো কিমান ভাল হ'ব।

ল'ৰা – ছোৱালী – ছাৰ কেনেকৈ ধৰি ৰাখিব পাৰিম কি কৰিব লাগিব?

গোৱিন্দ – কৈ আছো ৰ। বিভিন্ন উপায়েৰে এই পানীভাগ ধৰি ৰাখিব পাৰি। যেনে ঘৰৰ ছালৰ ওপৰৰ পৰা, সমান ঠাই যেনে ৰাস্তা – পদুলি, চোতাল আদিৰে বৈ যোৱা পানী ভাগ চৌবাচ্চা সাজি ধৰি ৰাখিব পাৰি। প্ৰথমেই ঘৰৰ ছাল বা চাদ কিনাৰে কিনাৰে নাওৰালগাই, পাইপৰ সহায়ত পানী তললৈ নমাই আনি সংশোধন কৰি চৌবাচ্চাত ভৰ্ত্তি কৰি ৰাখিব পাৰি। প্ৰথম পানীখিনি সাচিব নালাগে কাৰণ চাদত বা চালত গছৰ পাত শুকান ধূলি মাকতি জমা হৈ থাকে বাবে লেতেৰা পানী ধুৱাই আনিব। সেয়েহে সেই পানীভাগ পেলাই দি পাছৰ পানীখিনি জমা কৰি ৰাখিব লাগে। তহঁতি বুজি পাইছনে?

ল'ৰা ছোৱালী – হয় ছাৰ, বুজি পাইছো, যদিও সংশোধন কেনেকৈ কৰিব পাৰি বুজি পোৱা নাই।

গোৱিন্দ – হয় নেকি? তেন্তে শুন, বৰষুনৰ পানীভাগ তললৈ পাইপেৰে নমাই অনাৰ পাছত সৰু চৌবাচ্চা এটাত জমা হৈ থকা বালি, এঙাৰ, শিলৰ টুকুৰাৰ মাজেৰে নিগৰাই পানী সংগ্ৰহ কৰা চৌবাচ্চালৈ বোৱাই নিব পাৰি। এই পানীখিনিত চূণ, ফিটকিৰি দি পৰিশোধিত কৰিব পাৰি। তাৰ পাছত পানীভাগ গৰম কৰি ঠাণ্ডা কৰি খাবও পাৰি। তহঁতি বাৰু বৰ্ডত এই বিষয়ে আকি দেখুৱাব পাৰিবিনে?

ল'ৰা ছোৱালী – পাৰিম ছাৰ।

গোৱিন্দ – বৰ সুন্দৰ হৈছে। তহঁতি ঘৰত মা, দেউতাক এই বিষয়ে আৰু সঁচা অৰ্থত ইয়াৰ প্ৰয়োগ কৰিবিহক।

(ঘন্টা পৰাৰ শব্দ। এটা পিৰিয়দ শেষ।)

সোম্পাহি – ঘৰত পানীৰ টনাটনি, তহঁতে পানীৰ অপব্যৱহাৰ নকৰিবি। কমাই খৰছ কৰিবিহক। শেৱালী, ভৰি কেইখন ধোঁতেই ইমান পানী খৰছ কৰিছ কেলেই। পাইপটো কমাই খোলচোন।

শেৱালী – হব হব মা। মই বেছিকৈ খৰছ নকৰো নহয়। আমি জানো, পানী কেনেকৈ ব্যৱহাৰ কৰিব লাগে। মা, ভোক লাগিছে ভাত দিয়া?

সোনপাহি – খোৱাঘৰতে মজিয়াত সজাই থৈছো। তহঁত দুয়োটাই খাগৈ। মনোজ ক'লৈ গ'ল? মনোজ, মনোজ।

মনোজ – গৈছো মা, মই কিতাপ জাপি আছো। মোৰো ভোক লাগিছে। ভাত দিয়া।

সোনপাহি – আজি ভাতৰ লগত খাবলৈ মাছৰ আঞ্জা বনাই থৈছো। ভালকৈ কাইট বাছি ভাত খাবি। চাবি আকৌ ডিঙিত কাইট মাগিব।

মনোজ – হব হব মা, ভালকৈ খাম।

সোনেশ্বৰ – আজি বতৰটো বেছ গোমা হৈ আছে। বৰষুন দিবই নাকে? ভালেই হব, গৰমটো কমিব। বৰষুন আহিলেও বিপদ, নাহিলেও বিপদ। কি কৰা যায়। ডাঙৰ বৰষুন আহিলে চাৰিওফালে পানীময় হব। নাহিলেও, পানীৰ যি আকাল।

সেৱালী – দেউতা, আমাৰ ছাৰে আমাক এটা নতুন কথা শিকালে। আমি ইচ্ছা কৰিলে বৰষুনৰ পানীভাগ ঘৰৰ চালত নাওৰা লগাই ধৰি ৰাখিব পাৰো আৰু বেলেগ বেলেগ কামৰ ব্যৱহাৰ কৰিব পাৰো।

সোনেশ্বৰ – হয় নেকি? কেনেকৈ, কব পাৰিবিনে?

শেৱালী – পাৰিম দেউতা, আমাৰ ছাৰে কৈছে, ঘৰৰ চালৰ কাষে কাষে নাওঁৰা লগাও তাত পাইপ বহুৱাই দি বৰষুনৰ চালৰ ওপৰৰ পৰা পানীভাগ আমি তলত চৌবাচ্চা বনাই ধৰি ৰাখিব পাৰো।

সোনেশ্বৰ – কাইলৈ মিস্ত্রি মাতি কামতো কৰি ল'ব লাগিব। যিহে পানীৰ নাটনী হৈছে। হেৰা, শুনাচোন শেৱালীয়ে ইমান সুন্দৰকৈ কথাবোৰ কৈছে। আমি কামটো কৰাই ল'ব লাগিব।

সোনপাহি – ঠিকেই কৈছে। পানীৰ অভাৱ গুচিলেই হ'ল। সোনকালে কামটো কৰাই লওঁক।

(পাছদিনা, ৰাতিপুৱা চৰাইৰ মাত, পুৱাৰ পৰিৱেশ)

সোনেশ্বৰ – মিস্ত্রি, তুমি কামটো বুজি পাইছানে?

মিস্ত্রি – হয়, বুজি পাইছো। এই চালিখনৰ কাষে কাষে নাওঁৰাখন বহুৱাই দিম আৰু তাৰ কাষেদি পাইপ বহুৱাই পানীখিনি তললৈ বোৱাই আনিম আৰু চৌবাচ্চাত পেলাই দিমগৈ।

সোনেশ্বৰ – ঠিকেই হৈছে। কৰা কামটো। হাতত ধৰা, কি কি বস্তু লাগিব ক'বা, মই কিনি আনি দিম।

(মিস্ত্রিয়ে কাম কৰাৰ খুটুক খাটাক শব্দ, মাজে মাজে নাওঁৰা চোচৰাই নিয়াৰ শব্দ)

সোনপাহি – কাম্খিনি কৰোতে দুদিনমান সময় লাগিব ছাগে। আপুনি পানীৰ চৌবাচ্চা এটা কিনি আনিব, তাতে পানীখিনি ভৰাব লাগিব।

সোনেশ্বৰ – হব বাৰু, মই বাকীবোৰ বস্তু আনি দিছোৱেই।

(সংগীতেৰে সময় বিৰতি)

(মেঘে গজাৰ শব্দ, অলপ পিছতে ধাৰাসাৰ বৰষুনৰ শব্দ।)

শেৱালী – দেউতা, দেউতা, চোৱাচোন কেনেকৈ নাওঁৰাৰে পানীবোৰ বৈ আহিছে আৰু পাইপেৰে আহি চৌবাচ্চাত সোমাইছেহি। এনেকৈ বৰষুন দি থাকিলে এঘন্টাত চৌবাচ্চা ভৰ্ত্তি হ'ব।
সোনেশ্বৰ – বৰ ভাল কাম কৰালো দেই। পানী এতিয়া ভৰ্ত্তি হবৰে হ'ল। ইয়ে পানী ভৰ্ত্তি হৈ চৌবাচ্চাটোৰ মুখেৰে পানী বাগৰি অহা পানীখিনি এনেই নষ্ট হৈছে। শেৱালী তই তহঁতৰ ছাৰক সুধিবিছোন এই পানীভাগেৰে কি কৰিব পাৰি?

সোনপাহি – বৰ ভাল হ'ল। এতিয়া আৰু আমাৰ কাপোৰ ধোৱা, বাচন ধোৱা পানীৰ আকাল নোহোৱা হব।

মনোজ – মই ইয়াৰ পানী লৈ খেলিব পাৰিম ভালেই হ'ল।

সোনপাহি – মনোজ, তই পানীখিনি নষ্ট নকৰিবি দেই, চাচোন কিমান কষ্ট কৰি পানীখিনি আমি গোটাব পাৰিছো।

(স্কুলৰ পৰিৱেশ। ল'ৰা ছোৱালীৰ চিঞৰৰ বাখৰ)

গোৱিন্দ – তোমালোকক বৰষুনৰ পানী সংৰক্ষনৰ কথা কৈছিলো। কাৰ কাৰ কৰালা কামটো?

শেৱালী – ছাৰ আমাৰ ঘৰত কৰালো। এতিয়া বৰষুন দিলে আমি পানী নাওঁৰাৰে ধৰি সাচি ৰাখো। পিছে ছাৰ চৌবাচ্চাটো ভৰ্ত্তি হৈ পানী বাগৰি থকা পানীভাগ আমি কি কৰিব পাৰো।

গোৱিন্দ – শেৱালী শুনা, তোমালোকে এটা ভাল কাম কৰিছা। পানীখিনি সংশোধন কৰিছানে নাই।

শেৱালী – কৰিছো ছাৰ।

গোৱিন্দ – এতিয়া বাগৰি পৰা পানীখিনিৰ কথা শুনা। আমাৰ দমকল, গভীৰ নলীনাদ আদিৰ পানী লাহে লাহে তললৈ গৈছে। সেয়েহে পানীৰ পৃষ্ঠ তললৈ নাযাবলৈ আমি এই বাগৰি পৰা পানী ভাগ এটা গাত খান্দি গাতটোত  পেলাই দি তললৈ নিগৰি যোৱাত সহায় কৰিব লাগিব। চৌবাচ্চাটোৰ পৰা এদাল পাইপেৰে এই

পানীভাগ বোৱাই নি গাতত পেলাব লাগিব। গাতত পানীখিনি জমা হৈ নিগৰি নিগৰি তললৈ বৈ যাব আৰু ভূপৃষ্ঠৰ লগত মিলি ভূজলৰ পৃষ্ঠ ওপৰলৈ আনিব। বুজি পাইছানে?

অনন্ত – ছাৰ ভালকৈ বুজি পোৱা নাই।

গোবিন্দ – ৰ'বা, তোমালোকক ইয়াৰ ছবিখন দেখুৱাই দিওঁ। এয়া চোৱা – বৰ্ডত আঁৰি দিয়া ছবিখন চোৱা।

শেৱালী – হব ছাৰ, বুজি পাইছো। আজি দেউতাক মই ক'মগৈ কেনেকৈ গাত খান্দি পানী পেলাই নি তললৈ নিগৰি যাবলৈ দিব লাগে। এনে কৰিলে পানীখিনি ভূপৃষ্ঠৰ ওপৰতে বাগৰি নগৈ গাতটোত জমা হৈ থাকি লাহে লাহে তললৈ যাব।

গোৱিন্দ – ইয়াৰ ওপৰিও আমি সমান ঠাই যেনে খেলপথাৰ, ৰাস্তা আদিতো বৰষুনৰ পানী বোৱাই নি নলাত বা গাতত পেলাই ভূজলৰ পৃষ্ঠ উপৰলৈ আনিব পাৰো বা চৌবাচ্চাত সংৰক্ষণ কৰি কামত ব্যৱহাৰ কৰিব পাৰো। তাকে কৰিবলৈ হলে চৌবাচ্চাটো মাটিৰ তলত কৰিব লাগিব, নহলে মাটিত গাত খান্দি চৌবাচ্চা তললৈ ভৰাই দিব লাগিব। তোমালোকে বুজি পাইছানে?

ল'ৰা – ছোৱালী – হয়, ছাৰ বুজি পাইছো। আমি প্ৰত্যেকেই ঘৰে ঘৰে এনে ব্যৱস্থা কৰি লৈ বৰষুনৰ পানী সংৰক্ষণ কৰিম।

গোৱিন্দ – তেতিয়াহ'লে তোমালোকক বৰষুনৰ পানী নষ্ট হবলৈ নিদি সংৰক্ষণ কৰিবা দেই।

ল'ৰা ছোৱালী – হব ছাৰ।

গোবিন্দ – ইয়াৰ ওপৰিও শুনা। ভাৰতৰ উত্তৰাখণ্ড নামৰ ঠাইত আজি বহুদিনৰ আগেয়ে তাৰ মানুহবোৰে ওখ ঠাইত যেনে পাহাৰ আদিৰ পুখুৰি খান্দি পানী সংৰক্ষণ কৰিছিল। এই পানীভাগ সাচি ৰখাৰ উপৰিও মাটিৰ তললৈ নিগৰি গৈ ভূজলৰ পৃষ্ঠ ওপৰলৈ আনিছিল। এই পুখুৰীবোৰক চালখাল বুলি কোৱা হৈছিল।

ল'ৰা ছোৱালী – ছাৰ আমাৰ ইয়াত এইবোৰ নাইনেকি?

গোৱিন্দ – নাই বুলিও ক'ব নোৱাৰা। আগৰ দিনত ৰজা, মহাৰজা বোৰে ডাঙৰ ডাঙৰ পুখুৰি খান্দি সেইবোৰত বৰষুনৰ পানী সংৰক্ষণ কৰি ৰাখিছিল। আমাৰ অসমৰ শিৱসাগৰ, যোৰ্হাট জিলাত তেনেকুৱা পুখুৰি আছে।

শেৱালী – ছাৰ ধৰি ৰখা বৰষুনৰ পানী আমি খাব পাৰিম নেকি?

গোৱিন্দ – তুমি ঠিকেই সুধিছা শেৱালী। এই ধৰি ৰখা পানীভাগ সংশোধিত কৰি গৰম কৰি আমি খোৱা পানী হিচাপে ব্যৱহাৰ কৰিব পাৰো।

ল’ৰা ছোৱালী – ছাৰ, আমি ইয়াৰ ওপৰিও কি কি কামত এই পানী ভাগ ব্যৱহাৰ কৰিব পাৰিম?

গোবিন্দ – শুনা, এই পানীৰে আমি কাপোৰ ধোঁৱা, ঘৰ চাফা কৰা, ফুলত পানী দিয়া ইত্যাদি অনেক কামত ব্যৱহাৰ কৰিব পাৰো। আমাৰ মেঘালয়ৰ শিলংৰ ওচৰত বৰাপানীৰ নাম তোমালোকে শুনিছানে নাই? এই বৰাপানীৰ ৮০ শতাংশই হল বৰষুনৰ পানী। ইমান সুন্দৰকৈ ইয়াক সংৰক্ষণ কৰা হৈছে আৰু ইয়াৰ পৰা জলবিদ্যুৎ আহৰণ কৰা হৈছে। দেখিছা পানীৰ পৰা আমি বিজুলি শক্তি উৎপাদন কৰিব পাৰো।

অনন্ত – ছাৰ, আমি যোৱাবছৰ বৰাপানীলৈ গৈছিলো। তাত নাও চলোৱাৰো সুন্দৰ ব্যৱস্থা আছে। ইমান ভাল লাগে তাত ছাৰ।

গোবিন্দ – তোমালোকে উত্তৰাখণ্ডৰ এজন মানুহৰ নাম শুনিছানে? তেঁও হ’ল শ্ৰীযুত সচ্চিদানন্দ ভাৰতী। তোমালোকৰ চালখালৰ কথা কৈছো নহয়। তেঁও নিজে উত্তৰাখণ্ডত ২৫ হাজাৰতকৈ বেছি চাল – খাল খান্দি উলিয়াইছিল। আৰু এইবোৰৰ পাৰে পাৰে বহল পাতৰ ৰডদেন্দ্ৰন গছ ৰুই দিছিল। পানী পাই গছবোৰে ঠন ধৰি উঠিছিল। আৰু এইবোৰৰ বাবে বহুতো শুকাই যোৱা নিজৰা আকৌ আৰম্ভ কৰিছিল। ভাৰত চৰকাৰে তেওঁক ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় পৰ্যাবৰণ বটাৰে সন্মানিত কৰিছিল।

ল’ৰা ছোৱালী – আচৰিত কথা, তেওঁ অকলেই ইমান ডাঙৰ কাম কৰিছিল।

গোবিন্দ – আমাৰ ইয়াত আজিকালি আকৌ ইয়াৰ ওলোটাতোহে দেখা গৈছে। তোমালোকে গুৱাহাটীৰ কথাকে ভাৱাচোন। ইয়াত আগতে থকা জলৰাশিৰ ভাণ্ডাৰ বোৰ যেনে বিল, খাল, পুখুৰী ইত্যাদি মানুহে নিজৰ স্বাৰ্থৰ কাৰণে পুতি পালাইছে আৰু ইয়াৰ ওপৰত ঘৰ দুৱাৰ, কল কাৰ্খানা বহুৱাই বিপদৰ সৃষ্টি কৰিছে। গুৱাহাটীত কৃত্ৰিম বানপানী কিয় হয় বুলি ভাৱিছা?

ল’ৰা ছোৱালী – নাজানো ছাৰ, আমাক বুজাই দিয়কচোন।

গোবিন্দ – প্ৰকৃতিৰ নিয়ম মতে বৰষুনৰ দিনত বৰষুন হৈ আহে। আগতে এই বৰষুনৰ পানীভাগ বৈ গৈ এই জলাশয়বোৰত জমা হৈছিল গৈ, যিহেতু জলাশয় বোৰ পুতি পেলোৱা হ’ল, ইয়াৰ পানী ধৰি ৰাখিব পৰা গুনটোও নাইকিয়া হ’ল, ফলত বৰষুনৰ পানী ভাগ ৰাস্তাই ঘাটে জমা হৈ যিহে বিপদৰ সৃষ্টি কৰে। তোমালোকে ইয়াক দেখিছাই ছাগে।

ল’ৰা ছোৱালী – ছাৰ কি হ’ব এতিয়া? কেনেকৈ কি কৰা যায় !

গোবিন্দ – ইয়াৰ ওপৰিও, গুৱাহাটীত থকা পাহাৰ পৰ্ব্বতবোৰ মানুহে কাটি কাটি শিল বালিৰ দমেৰে ভৰাই পেলাইছে। এই শিল – বালিবোৰ বৰষুনৰ লগত উটি আহি নলা – নৰ্দ্দমা ভৰাই পেলাইছে। তাৰোপৰি আমি মানুহবোৰে জাবৰ যোথৰ, পলিথিনৰ পেকেট ইত্যাদি নলা নৰ্দ্দমাতে পেলাই ডাঙৰ সমস্যাৰ সৃষ্টি কৰিছো। ফলত পানী বৈ যাব নোৱাৰি ৰাস্তাৰ ওপৰত জমা হৈছেহি। তোমালোকৰ কোনোবাই এই কামবোৰ কৰিছা নেকি?

ল’ৰা ছোৱালী – নাই কৰা ছআমি নিজে নিজৰ ঠাইখিনি পৰিস্কাৰ কৰি ৰাখিব লাগে।

গোবিন্দ – উত্তৰাখণ্ডত কৰাৰ দৰেই ৰাজস্থানটো পানী সংৰক্ষণ কৰাৰ কিছুমান উপায় কৰা হৈছে। তোমালোকে জানাই ৰাজস্থানত বৰষুনৰ পৰিমান অতি কম। চাল – খালৰ দৰে ইয়াত ’টংকা’ বুলি বৰষুনৰ পানী ধৰি ৰাখিব পৰা কিছু নিয়ম আছে। টংকা বোৰ হ’ল সৰু সৰু গাত , য’ত বৰষুনৰ পানী ধৰি ৰখা হয়। এই সৰু সৰু গাতবোৰৰ ওপৰিও ’নদ্দী’ বুলি ডাঙৰ ধৰনৰ বৰষুনৰ পানী ধৰি ৰাখিব পৰা কিছুমান জলাশয় ইয়াত সাজি উলিওৱা হৈছে। তাৰোপৰি ’জহৰ’ বুলি কিছু গঠন ৰাজস্থানত সাজি উলিওৱা হৈছে। এইবোৰত বৰষুনৰ পানী সংৰক্ষণৰ ওপৰিও পানীভাগ বৈ যোৱাত বাধা প্ৰদান কৰিব পাৰি।

ল’ৰা ছোৱালী – তাৰ মানে, আমি বৰষুনৰ পানী বৈ যাবলৈ বাধা দি সংৰক্ষণ কৰিব পাৰো।

গোবিন্দ – তোমালোকে ভালদৰে কথাবোৰ বুজি পাইছানে?

ল’ৰা ছোৱালী – পাইছো ছাৰ। আমাৰ ইয়াত ইমান বৰষুনৰ পানী আমি বৈ যাবলৈ দি নষ্ট কৰো।

গোবিন্দ – এইবোৰৰ ওপৰিও, এনেকৈ সংৰক্ষণ কৰা পানী ভাগ, লাহে লাহে তললৈ নিগৰি যায় আৰু ভূজলৰ পৃষ্ঠ ওপৰলৈ আনে আৰু ভূজল পৰিপুৰক কৰে। তোমালোকে ভূজল আৰু ভূপৃষ্ঠৰ জলৰ বিষয়ে জানা নহয়? ভূজল হ’ল মাটিৰ তলত বালিৰ মাজত শিলৰ ফাকত থকা পানী আৰু ভূপৃষ্ঠৰ ওপৰৰ পানী হ’ল নৈ, বিল, নিজৰা ইত্যাদিৰ পানী। আমাৰ ভাৰত বৰ্ষত এই পানীভাগৰ পৰিমান বৈজ্ঞানিক সকলে নিৰ্ধাৰণ কৰিছে। ই হ’ল ২ হাজাৰ বিলিয়ন ঘন মিটাৰ। আমাৰ নৈবোৰ হ’ল বাৰিষা ফেনে ফোটোকাৰে ভৰা আৰু ঠাণ্ডা দিনত কিছুমান নৈ শুকাই যায়। ভাৰতবৰ্ষত বাৰ্ষিক গড় হিচাৱে বৰষুনৰ পানী আমি ১১৭ চেন্টিমিটাৰ পাওঁ। বৰষুনৰ পৰা ৪০০০ বৰ্গ কিলোমিটাৰ পানী আমাৰ ধৰালৈ আহে।

শেৱালী – ইমানবোৰ পানী আছে যদিও ঠায়ে ঠায়ে কিয় পানীৰ নাটনী হয়?

গোবিন্দ – সেইটোৱেই সমস্যা। ইমান পানী আছে যদিও সকলো ঠাইতে সমান পৰিমানৰ আমি পানী নাপাও। কিয়নো কিছুমান ঠাইত বৰষুন বেছি, কিছুমান ঠাইত বৰষুনৰ মাত্ৰা কম। আৰু এই বৰষুনৰ ৪৭ শতাংশ আমি ধৰি ৰাখিব নোৱাৰো। ই বৈ গৈ সাগৰ, মহাসাগৰত পৰেগৈ।
অনন্ত – হে ভগৱান, তাৰে যদি আমি অলপমান পানী ধৰি ৰাখিব পাৰিলোহেতেন!

গোবিন্দ – হাজাৰ হাজাৰ বছৰ আগতে আমাৰ ভাৰততে হৰপ্পা, মহেনজেদাৰো ইত্যাদিৰ ধ্বংসাৱশেষত দেখা গৈছে বৰষুনৰ পানী ধৰি ৰাখিব পৰা কিছুমান ব্যৱস্থা।

অনন্ত – ইমানবোৰ পানী আমি সংৰক্ষণ কৰি কি পাব পাৰো?

গোবিন্দ – সকলোতকৈ ডাঙৰ কথা এই যে পানীভাগৰ ৩০ শতাংশ তললৈ নিগৰি গৈ ভূজল পৰিপুৰক কৰে।

অনন্ত – চাল – খালৰ কামৰ দৰেই কাম।

গোৱিন্দ – আজিকালি ভাৰত চৰকাৰে ভাৰতৰ বহু ঠাইত বৰষুনৰ পানী বোৱাই নি ডাঙৰ ডাঙৰ খাল খান্দি পেলাইছেগৈ। এইবোৰক পৰিপুৰক খাল বুলি কোৱা হয়। ইয়াৰ উপৰিও পাহাৰৰ ওপৰত বোকাৰে বান্ধ সাজি বৰষুনৰ পানী সংৰক্ষণ কৰা দেখা গৈছে। সকলোতকৈ ডাঙৰ কথাঝ'ল বৰষুনৰ পানী আন পানিতকৈ বেছি শুদ্ধ আৰু চাফা। ভূজলৰ পানীত ফ্ল'ৰাইড, আৰ্ছেনিক, লো ইত্যাদি ৰাসায়নিক মৌল প্ৰয়োসনতকৈ বেছি থাকিব পাৰে। বৰষুনৰ পানীত এইবোৰ নাথাকে।

ল'ৰা ছোৱালী – ছাৰ, তেতিয়াহ'লে প্ৰত্যেক ঘৰ মানুহে বৰষুনৰ পানী সংৰখসণ কৰিব লাগে।

গোৱিন্দ – ভাৰত চৰকাৰে আজিকালি প্ৰত্যেক ঘৰ মানুহে ঘৰ সাজোতে ছাদৰ ওপৰত পৰা বৰষুনৰ পানী সংৰক্ষণ কৰা প্ৰণালী ব্যৱহাৰ কৰিবলৈ নিয়ম কৰি দিছে। আমাৰ অসমতো এই নিয়ম বলবৎ কৰিব লাগে। প্ৰত্যেক ঘৰ মানুহে বৰষুনৰ পানী সংৰক্ষণ কৰি উপকৃত হব পাৰিব আৰু আমি পানীৰ নাটনীৰ পৰা হাত সাৰিব পাৰিম। National Green Tribunal য়ে বৰষুনৰ পানীৰ সংৰক্ষণ গুৰুত্ব সহকাৰে লৈছে। ২০১৬ চনৰ মাৰ্চ মাহত National Green Tribunal য়ে দিল্লী জল বৰ্ড আৰু কেন্দ্ৰীয় ভূজল বৰ্ডক এই বিষয়ে জাননি দি কৈছে যে সকলো ধৰণৰ ঘৰ, অট্টালিকা, হোটেল ইত্যাদিত বৰষুনৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

আমি প্ৰত্যেকজনে নিজৰ নিজৰ ঘৰত বৰষুনৰ পানী সংৰক্ষণ কৰিম বুলি শপত ল'ব লাগে।

ল'ৰা ছোৱালী – হয় ছাৰ! আমি আকি শপত লৈছো, আমি আমাৰ প্ৰত্যেকৰে ঘৰতেই ... বৰষুনৰ পানী সংৰক্ষণ কৰাৰ ... ব্যৱস্থা কৰিম!!

****************************************************************
****

প্ৰশ্ন/ প্ৰস্তুতি – ড০ শ্যামা প্ৰসাদ শৰ্মা

১. উত্তৰাখণ্ডত বৰষুনৰ পানী ধৰি ৰখাৰ বাবে, পুৰনিকালৰ পৰাই খাল – বিল খন্দাৰ ব্যৱস্থা আছে। ব্যৱস্থাটোক তেওঁলোকে কি বুলি কয়?

-- চাল – খাল ।

২. বৰষুনৰ পানীৰ কিমান ভাগ ভূপৃষ্ঠৰ ওপৰেৰে বৈ যোৱাৰ ফলত কামত নাহে? কিমান ভাগ মাটিৰে নিগৰি গৈ ভূজলৰ স্তৰ বৃদ্ধি কৰে?

-- শতকৰা ক্ৰমে সত্তৰ ভাগ আৰু ত্ৰিশ ভাগ ।